بِسۡمِ اللّٰهِ الرَّحۡمٰنِ الرَّحِیۡمِ نَحۡمَدُهٗ وَنُصَلِّیۡ عَلٰی رَسُوۡلِهِ الۡکَرِیۡمِ وَعَلٰی عَبۡدِهِ الۡمَسِیۡحِ الۡمَوۡعُوۡدِ

# খোতবা জুমা

**ছৈয়েদেনা হজৰত আকদছ আমিৰুল মোমিনিন খলিফাতুল মছিহ পঞ্চম (আইঃ) য়ে ২০১৮ চনৰ ৩০ নৱেম্বৰত মছজিদ বায়তুল ফতুহ মৌৰভনত প্ৰদান কৰা জুমাৰ খোতবাৰ সাৰংশ।**

তাছাহুদ, তাউয আৰু ছুৰা ফাতিহা পাঠৰ পিছত হুযুৰ আনোৱাৰ (আইঃ)কয় যে -আজি মই যিসকল চাহাবাৰ সম্পৰ্কে উল্লেখ কৰিবলৈ লৈছো সেই সকলৰ মাজত প্ৰথম হ'ল হজৰত ছাবিত বিন খালিদ আনছাৰী (ৰাঃ)। বদৰৰ যুদ্ধ আৰু অহুদৰ যুদ্ধৰ পিছত ইয়ামামাৰ যুদ্ধত গৈ তেখেত (ৰাঃ) য়ে শ্বহীদ হৈছিল। ইয়াৰ পিছত আছিল হজৰত আব্দুল্লাহ বিন আৰফাতা (ৰাঃ)। তেখেত (ৰাঃ) য়ে হজৰত জাফৰ বিন আবি তালিবৰ লগত হাবশালৈ হিজৰত কৰিছিল আৰু বদৰৰ যুদ্ধত অংশ গ্ৰহন কৰিছিল। আন এজন চাহাবী আছিল হজৰত উতবা বিন আব্দুল্লাহ (ৰাঃ)। বয়াতে উকবা আৰু বদৰৰ যুদ্ধত এখেত (ৰাঃ) য়ে যোগদান কৰিছিল। এনেদৰে আন এজন চাহাবী আছিল হজৰত কায়েছ বিন আবি ছা-ছাআ আনছাৰী (ৰাঃ)। এখেত সত্তৰ জন আনছাৰীৰ লগতে বয়াতে উকবাত অংশ গ্ৰহন কৰিছিল। যুদ্ধ বদৰ অহুদৰ যুদ্ধত অংশ গ্ৰহন কৰাৰ সৌভাগ্য লভিছিল। যেতিয়া বদৰৰ যুদ্ধৰ নিমিত্তে যাত্ৰা কৰিছিল, তেতিয়া নবী কৰিম (ছাঃ) য়ে নিজৰ সৈন্য সামন্তৰ সৈতে মদিনাৰ বাহিৰত বায়তুল ছফিয়াৰ ওচৰত অৱস্থান কৰিছিল, আৰু কম বয়সৰ লৰা বিলাকক, যিবিলাকে উৎসাহেৰে আঁহজৰত (ছাঃ) ৰ লগত আহিছিল সিঁহতক সেই ঠাইৰ পৰা মদিনালৈ ঘুৰাই পঠোৱা হৈছিল। ছফিয়াৰ পৰা আকৌ যাত্ৰা আৰম্ভ কৰাৰ আগমুৰ্হতত আঁহজৰত (ছাঃ)য়ে হজৰত কায়েছ বিন আবি ছা-ছাআক মুছলমান সৈন্য কেইজন গণনা কৰিবলৈ আদেশ দিছিল। হজৰত কায়েছ (ৰাঃ) য়ে সেয়া গণনা কৰি যেতিয়া ৰছুলুল্লাহ (ছাঃ) ক জনাইছিল যে সৈন্যৰ সংখ্যা ৩১৩ জন হৈছে, তেতিয়া আঁহজৰত (ছাঃ) য়ে এয়া শুনি আনন্দিত হৈছিল কৈছিল আৰু যে তালুতৰ সঙ্গী বৃন্দৰ সংখ্যাও ইমানেই আছিল।

এনেদৰে বদৰৰ যুদ্ধৰ দিনা ৰছুলুল্লাহ (ছাঃ) য়ে ছাকাৰ কামানৰ নেতৃত্ব তেখেত (ৰাঃ) ক প্ৰদান কৰিছিল। ছাকাৰ সৈন্য মানে সেই সৈন্যৰ দল, যি সকলে পিছফালে ৰক্ষণা বেক্ষণ দি গৈ থাকে। এবাৰ তেখেত (ৰাঃ) য়ে আঁহজৰত (ছাঃ) ক ওচৰত সুধিছিল যে -ইয়া ৰছুলুল্লাহ ! মই কিমান সময় কোৰ-আন কৰিম পঢ়িম ? তেখেত (ছাঃ) য়ে কৈছিল যে পোন্ধৰ ৰাতিত পঢ়ি শেষ কৰিবা। হজৰত কায়েছ (ৰাঃ) য়ে জনাইছিল যে মই নিজে নিজেই তাতকৈ বেছি পঢ়িবলৈ সমৰ্থ ৰাখো। তেতিয়া তেখেত (ছাঃ) য়ে কৈছিল যে এক জুমাৰ পৰা আগৰ জুমা লৈকে সময়খিনিত পঢ়ি লোৱা। কায়েছ (ৰাঃ) য়ে কৈছিল যে মই নিজে নিজেই তাতকৈ বেছি পঢ়াৰ সমৰ্থ ৰাখো। তেখেত (ৰাঃ)য়ে এক দীৰ্ঘকাল এনেদৰে কোৰ-আন কৰিম তিলাওয়াত কৰিছিল। মুঠতে তেখেত (ৰাঃ) য়ে যেতিয়া বুঢ়া হৈ গৈছিল আৰু নিজৰ চকুত কম দেখিবলৈ লৈছিল তেতিয়া তেখেতে পোন্ধৰ ৰাতিৰ ভিতৰত কোৰ-আন কৰিম পঢ়ি শেষ কৰিবলৈ আৰম্ভ কৰিছিল আৰু তেতিয়া কৈছিল যে হায় ! যদি মই নবী (ছাঃ) ৰ ছুটি গ্ৰহন কৰি ললোহেঁতেন।

হজৰত উবেদা বিন হাৰিছ নামৰ এজন চাহাবী আছিল। এখেত আঁহজৰত (ছাঃ)ৰ ওচৰ সম্পৰ্কীয় আছিল। এখেত (ৰাঃ) সৰ্ব প্ৰথম ঈমান স্থাপন কাৰী সকলৰ মাজত এজন আছিল। আঁহজৰত (ছাঃ) য়ে দ্বাৰে আৰকমত প্ৰবেশ কৰাৰ আগতে এখেতে ঈমান লৈ আহিছিল। হজৰত উবেদা (ৰাঃ) আঁহজৰত (ছাঃ) ৰ ওচৰত এটা বিশেষ সন্মান আৰু স্থানৰ অধিকাৰী আছিল। তেখেত (ৰাঃ) বণু আবিদ মান্নাফৰ চৰদাৰ সকলৰে এজন আছিল। হজৰত উবেদা বিন হাৰিছ নিজৰ দুজন ভাই হজৰত তফিল বিন হাৰিছ আৰু হজৰত হুছেইন বিন হাৰিছক লৈ মদিনালৈ হিজৰত কৰিছিল। আঁহজৰত (ছাঃ) য়ে হজৰত উবেদা বিন হাৰিছ আৰু হজৰত আমিৰ বিন আলহামামৰ মাজত ভাতৃত্ব বন্ধন প্ৰতিষ্ঠা কৰি দিছিল। এওঁলোক দুয়োজনেই বদৰৰ যুদ্ধত শ্বহীদ হৈছিল। মদিনালৈ হিজৰতৰ আঠ মাহ পিছত ৰছুলে কৰিম (ছাঃ)য়ে হজৰত উবেদা বিন হাৰিছক যাঠি বা আশী আৰোহীৰে সৈতে এঠাইলৈ পঠাই দিছিল। ৰছুলে কৰিম (ছাঃ) য়ে হজৰত উবেদা বিন হাৰিছৰ বাবে বগা ৰঙৰ পতাকা দিছিল। ৰছুলে কৰিম (ছাঃ) য়ে হজৰত উবেদা বিন হাৰিছৰ বাবে বগা ৰঙৰ

পতাকা বান্ধি উৰুৱাইছিল । যাক হজৰত মছ্তাহা বিন আছাছা (ৰাঃ) য়ে ধৰি ৰাখিছিল। এই যাত্ৰাৰ উদ্দেশ্য আছিল কুৰাইছ্ সকলৰ এটা ব্যৱসায়ীৰ দলক বাটতে গৈ আগভেটা দিয়া। কুৰাইছৰ সেই দলটোৰ আমিৰ আছিল আবু ছুফিয়ান। উক্ত দলটোত দুশ লোক আছিল। চাহাবা সকলৰ এই জমাতে গৈ ৰাবিক নামৰ ঠাইত কুৰাইছৰ দলটোত ওচৰ পাইছিল আৰু দুয়ো দলৰ মাজত তীৰ আন্দাজীৰ বাহিৰে বেলেগ অস্ত্ৰৰ যুদ্ধ হোৱা নাছিল আৰু লড়াই কৰাৰ বাবে নিয়মিত শাৰীও পতা হোৱা নাছিল। হজৰত ছঈদ বিন আবি উকাছ (ৰাঃ) আছিল সেইজন চাহাবী, যিজনে প্ৰথম মুছলমান সকলৰ ফালৰ পৰা তীৰ নিক্ষেপ কৰিছিল আৰু এয়াই আছিল প্ৰথম তীৰ, যি ইছলামৰ ফালৰ পৰা চলোৱা হৈছিল। হজৰত উবেদা বিন হাৰিছৰ নেতৃত্বত এয়া আছিল ইছলামৰ দ্বিতীয় উত্থান।

তেখেত (ৰাঃ) য়ে বদৰৰ যুদ্ধৰ সময়ত মুছলমান সকলৰ ফালৰ পৰা অলিদ বিন উতবাৰ সৈতে লড়াই কৰিছিল। হদীছ্ সমুহত উল্লেখ আছে যে এই ঘটনা সম্পৰ্কে কোৰ-আন কৰিমত এটা আয়াত অৱতীৰ্ণ হৈছে। গতিকে হজৰত আলি (ৰাঃ) ৰ পৰা ৰোৱায়েত আছে যে “ হাযানি খাচমানিখ তাছামু ফি ৰাববি হিম”। এয়া সেই লোক সকলৰ নিমিত্তে অৱতীৰ্ণ হৈছিল যি সকলে বদৰৰ যুদ্ধৰ দিনা লড়াই কৰিছিল। অৰ্থাৎ হজৰত হামজা বিন আব্দুল মুত্তালিব,হজৰত আলি বিন তালিব আৰু হজৰত উবেদা বিন হাৰিছ আনহাতে আছিল উতবা বিন ৰবিয়া, শ্বঈবা বিন ৰবিয়া, আৰু অলিদ বিন উতবা।

যিয়েই নহওক এই লড়াইৰ বিতং বৰ্ণনা ছুনানে আবু দাউদত এনেদৰে উল্লেখ আছে। হজৰত আলি (ৰাঃ) ৰ পৰা ৰোৱায়েত আছে যে উতবা বিন ৰবিয়া আৰু তাৰ পুতেক আৰু ভায়েকে যুদ্ধৰ নিমিত্তে ওলাই আহি চিঞৰি চিঞৰি কৈছিল যে কোনে আমাৰ লগত ৰণ কৰিবলৈ আহিছে, তেতিয়া আনছাৰ সকলৰ কেইবাজন ডেকা লৰায় তাৰ উত্তৰ দিছিল। তেতিয়া উতবায়ে সুধিছিল তোমালোক কোন ? লৰাবিলাকে কৈছিল যে আমি আনছাৰ হওঁ। উতবা কৈছিল যে তোমালোকৰ লগত আমাৰ কোনো লেনা দেনা নাই। আমি কেৱল আমাৰ খুৰাহঁতৰ লৰা বিলাকৰ সৈতে যুদ্ধ কৰিব বিছাৰো। তেতিয়া আঁহজৰত (ছাঃ) য়ে কৈছিল যে হে হামজা উঠা, হে আলি থিয় হোৱা, উবেদা বিন হাৰিছ তোমালোকে আগবাঢ়ি যোৱা। হজৰত আলি (ৰাঃ) য়ে বৰ্ণনা কৰিছে যে আমি আঁহজৰত (ছাঃ) ৰ মাত শুনোতেই হজৰত হামজা (ৰাঃ) য়ে উতবাৰ ফালে, মই শ্বঈবাৰ ফালে আৰু উবেদা বিন হাৰিছ আৰু অলিদৰ মাজত ৰণ ঝংকাৰ বাজি উঠে, আৰু এই দুয়োজনেই বেয়াকৈ আঘাত প্ৰাপ্ত হয়। তেতিয়া মই অলিদৰ ফালে আগবাঢ়ি গৈ তেওঁক নিহত কৰিছিলো আৰু উবেদাক যুদ্ধ ক্ষেত্ৰৰ পৰা উঠাই লৈ আনিছিলো। বদৰৰ ওচৰতে থকা ছাফৰা নামৰ ঠাইত উবেদা (ৰাঃ) ৰ মৃত্যু হৈছিল আৰু তাতেই তেখেতক দফন কৰা হৈছিল।

আন এটা ৰোৱায়েতত উল্লেখ আছে যে যেতিয়া উবেদাৰ ভৰি আঠুৰ তলত কাটি গৈছিল আৰু তাৰ পৰা তেজ প্ৰবাহিত হৈ আছিল তেতিয়া চাহাবা সকলে হজৰত উবেদাক কৈছিল ইয়া ৰছুলুল্লাহ। মই শ্বহীদ নহয় নে ? আঁহজৰত (ছাঃ) য়ে কৈছিল যে কিয় নহয় ! তুমি শ্বহীদ। আন এটা ৰোৱায়েতত উল্লেখ আছে যেতিয়া হজৰত উবেদা বিন হাৰিছ (ৰাঃ)ক ৰছুলে কৰিম (ছাঃ) ৰ ওচৰলৈ অনা হৈছিল তেতিয়া ৰছুলে কৰিম (ছাঃ) য়ে উবেদাৰ মুৰখন নিজৰ উৰুৰ ওপৰত ৰাখিছিল আৰু হজৰত উবেদা (ৰাঃ) য়ে কৈছিল, হায় আজি যদি আবু তালিব জীয়াই থাকিলেহেঁতেন তেন্তে জানিব পাৰিলোহেঁতেন, যি তেওঁ সদায় কৈ থাকিছিল যে এয়া মিছা, যে আমি মহম্মদ (ছাঃ) ক তোমালোকৰ হাতত পতাই দিম ,এয়া তেতিয়া হে সম্ভৱ হ’ব, যেতিয়া আমাক তেখেত (ছাঃ) ৰ কাষৰ পৰা মাঠিত বগৰাই দিয়া হ’ব, আৰু আমি নিজৰ ভাৰ্যা-পুত্ৰৰ প্ৰতি উদাসীন হৈ যাম। এয়া আছিল তেখেত সকলৰ আবেগ অনুভুতি। শ্বহীদ হোৱাৰ সময়ত হজৰত উবেদা বিন হাৰিছ (ৰাঃ) ৰ বয়স হৈছিল ৬৩ বছৰ।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে চাহাবা সকলৰ বিষয়ে উল্লেখ কৰাৰ পিছত মই এজন দেৰিনা খাদিম ওয়াকফে জিন্দেগী মোবাল্লিগ ছিলছিলা (ইণ্ডোনেচীয়া) ৰ বিষয়ে উল্লেখ কৰিব বিচাৰিছো। যাৰ ১৯ নৱেম্বৰত মৃত্যু হৈছে। তাৰ নাম আছিল ছিউতি আজিজ আহমদ চাহাব। ইন্না লিল্লাহি ওয়া ইন্নাইলায়হি ৰাজিউন। মৰহুমে পত্নী সহ দুজন লৰা দুজনী ছোৱালী আৰু দহ জন নাতি -পুতি ইহঁ সংসাৰত এৰি থৈ যায়। ইয়াৰ মাজত ছয়জন ওয়াকফে নও তেহেৰিকত

অর্ন্তভুক্ত হৈছে। ১৭ আগষ্ট ১৯৪৪ চনত বোনে জুনুবি ছোলাবেছিত তেওঁৰ জন্ম হৈছিল। তেওঁ ১৯৬৬ চনৰ পৰা ১৯৭১ চনলৈ ৰাবওয়াৰ জামিয়াত অধ্যায়ন কৰিছিল। ১৯৭২ চনৰ এপ্ৰিল মাহত মৰকজি মোবাল্লিগ হিচাপে ইণ্ডোনেচীয়াত তাৰ পোষ্টিং হৈছিল। চন ২০০০ চনত তেওঁ হজ্বে বায়তুল্লাহৰ সৌভাগ্য লাভ কৰিছিল। তেওঁ ১৯৭২ চনৰ পৰা ১৯৭৯ চনলৈ জুনুবি সুমাত্ৰ, লামপুঙ, জামৰি, বেংকুলা, আদি ঠাইত এজন মোবাল্লিগ হিচাপে খিদমত আগবঢ়াইছিল। ১৯৭৯ চনৰ পৰা ১৯৮১ চনলৈ মোৱাল্লিমিনৰ ক্লাচত এজন শিক্ষক হিচাপে পাঠ দান কৰিছিল। ১৯৮১ চনতেই জমাত পোৰবুকিতো লৈ মোবাল্লিগ হিচাপে নিযুক্ত হৈছিল। আকৌ ১৯৮২ চনত মোৱাল্লিমিন আৰু মোবাল্লিগিন ক্লাচৰ সহকাৰী ডাইৰেক্টৰ নিযুক্ত হৈছিল। ১৯৮২ চনৰ পৰা ১৯৯২ চনলৈ জামে আহমদীয়া ইণ্ডোনেচীয়াৰ অধ্যক্ষ হিচাপে কাম কৰিছিল। ১৯৯২ চনৰ পৰা ২০১৬ চনলৈ এই বিশ বছৰ কাল ৰায়েছুল তবলিগ আছিল। আকৌ ২০১৬ চনৰ পৰা মৃত্যুৰ সময়লৈকে এজন অধ্যক্ষ হিচাপে জামে আহমদীয়া ইণ্ডোনেচীয়াত খিদমত কৰাৰ তৌফিক লাভ কৰিছিল। তেওঁ নিজৰ বংশত আহমদীয়তৰ বীজ অংকুৰিত হোৱা সম্পৰ্কে এটা সাক্ষাৎকাৰক কৈছিল যে মোৰ আৰু মোৰ বংশধৰ সকলে বয়াত কৰাৰ মুখ্য কাৰণ হ'ল যে মোৰ দাদা এয়া নিৰ্দেশ দি গৈছিল যে শেষ যুগত ইমাম মাহদী আহিব আৰু যেতিয়া তেখেতে আহিব, তোমালোক সকলোৱে তেখেতক মানি লবা। এই অচিয়ত পালনাৰ্থে আমাৰ বংশধৰ সকলে দুবাৰ হিজৰত কৰিছিল। ১৯৫৯ চনত আমাৰ বংশধৰ সকলে লামপুঙলৈ হিজৰত কৰিছিল। ১৯৬৩ চনত এজন মোবাল্লিগ মওলানা জেনি ধালান চাহাব তবলিগৰ উদ্দেশ্যে লামপুঙলৈ আহিছিল। তেখেতে কৈছিল যে ইমাম মাহদী আহি গৈছে। গতিকে ১৩ ফেব্ৰুৱাৰী ১৯৬৩ চনত ১৯ বছৰ বয়সত মই আৰু মোৰ বংশৰ ৪০ জন লোকে মওলানা জেনি ধালান চাহাবৰ জড়িয়তে বয়াত কৰিছিলো।

হুযুৰ আনোৱাৰ (আইঃ) য়ে উল্লেখ কৰে যে ছিউতি আজিজাম চাহাবে কৈছে যে মই ৰাৱওয়াত থকা কালীন অৱস্থাত হজৰত মছিহ মাওউদ (আঃ) ৰ কেইবাজনো চাহাবাৰ লগত দেখা কৰাৰ সৌভাগ্য লভিছিল। হজৰত খলিফাতুল মছিহ তৃতীয়ৰ সৈতে এটা সুন্দৰ সাক্ষাৎৰ বৰ্ণনা কৰিবলৈ গৈ তেওঁ কৈছে যে যেতিয়া হজৰত খলিফাতুল মছিহ ছালিছ খিলাফত অধিষ্ঠিত হয় তেতিয়া প্ৰথমবাৰ মই তেখেতৰ সৈতে দেখা কৰিছিলো আৰু হুযুৰৰ গলে মিলিছিলো। হুযুৰ (ৰহঃ) মোৰ গালত হাত বুলাই দি কৈছিল এওঁ ইণ্ডোনেচীয়াৰ পৰা আহিছে। দুৰৰ পৰা ইয়ালৈ আহিছা, তোমালোক সকলোৱে মোৰ সন্তান । উল্লেখ কৰিছে যে হজৰত খলিফাতুল মছিহ ছালিছৰ আধ্যাত্মিক কিৰণে সদায় আমাক পোহৰাই ৰাখিছিল। যাৰ ফলত আমাৰ যিমানেই সমস্যা আহিছিল, সেয়া সকলো সহজ হৈ পৰিছিল। কয় যে যেতিয়া মই ইণ্ডোনেচীয়া লৈ ঘুৰি যাবলৈ ওলাইছিলো তাৰ আগমুহূৰ্তত মই হুযুৰ (ৰহঃ) দেখা কৰিবলৈ গৈছিলো। তেতিয়া হুযুৰ (ৰহঃ) মোক সুধিছিল আপুনি কি বিচাৰে ? মই কৈছিলো মোৰ কেইখনমান কিতাপ লাগে। তেতিয়া হুযুৰ (ৰহঃ) নিজৰ কলমেৰে এটা নোট লিখি দিয়ে যে ছিউতিক কিতাপ দি দিয়া। তাৰ পিছত ছিউতি চাহাবে জনায় যে তেওঁক ৰূহানী খাজায়েনৰ সম্পুৰ্ণ খণ্ডবোৰেই তাক দিয়া হৈছিল। সেইবোৰ এই সাক্ষাৎকাৰৰ সময়লৈকে তাৰ ওচৰত আছিল। ছিউতি চাহাবে আৰু কৈছে যে মই অহাৰ আগত হুযুৰ (ৰহঃ) মোক বহু সময়লৈকে বুকুত সাৱটি ধৰি ৰাখিছিল আৰু মোৰ কাণত কৈছিল যে নিজৰ আকা জনৰ সৈতে বিশ্বাস ঘাতকতা নকৰিবা। এয়াই আছিল মোলৈ উপদেশ।

আব্দুল বাছিদ চাহাব আমিৰ জমাত ইণ্ডোনেচীয়া লিখিছে যে ছিউতি আজিজ চাহাব বৰ সজ, সৰল ব্যক্তিত্বৰ অধিকাৰী আছিল। বিনয়ী আৰু নম্ৰতাৰ প্ৰতীক আছিল তেওঁ। সকলো অৱস্থাতেই ধৈৰ্য্যৰ উদাহৰণ স্বৰূপ আছিল। সৰ্বদা দোৱা কৰোঁতা, তাহাজ্জুদ গোজাৰী আৰু আল্লাহ তায়লাৰ ওপৰত চৰম পৰ্যায়ৰ নিৰ্ভৰশীল আছিল তেওঁ। নিজামে খিলাফত আৰু খলিফায়ে ইকৰামৰ প্ৰতি একাগ্ৰতা আৰু অপৰিসীম প্ৰেম ভাল পোৱা আছিল। তেওঁ সদায় নিজৰ কামতকৈ জমাতি কামবোৰ লৈ বেছি গুৰুত্ব দিছিল।

তেওঁৰ এজনী জীয়েক মৰদিয়া চাহিবা লিখিছে যে পিতৃ মহোদয়ে নিজৰ জীৱণ সম্পুৰ্ণ ভাৱেই ওয়াকফে কৰিছিল আৰু নিজৰ গোটেই জীৱণটো জমাতৰ কামত ব্যাস্ত থাকিছিল। তৰবিয়তৰ ক্ষেত্ৰত দেউতাই বেছি উপদেশ দিয়া নাছিল বৰং নিজে সেয়া হাতে কামে দেখুৱাই দিছিল। তেওঁৰ আন এজনী জীয়েক আতিয়াতুল আলিম কৈছে যে দেউতাকে সদায় সচাঁ কথা কৈছিল, নিজৰ লৰা ছোৱালীৰ সৈতে কেতিয়াও মিছা কথা কোৱা নাছিল। তাহাজ্জুদ নমাজ কেতিয়াও এৰি দিয়া

নাছিল আৰু সদায় মছজিদত গৈ বাজমাত নমাজ পঢ়া কৰিছিল। মৰহুমৰ দ্বিতীয় পত্নীয়ে কয় যে তেখেতে ৰাৱওয়ালৈ যোৱাৰ আগত লৰা ছোৱালীক কৈছে যে মোৰ এই বংশ মোৰ পৰিবাৰ আৰু খিলাফত মোৰ ওৱাৰিশ হয়। মোৰ জীৱণ মৰণ জমাতৰ নিমিত্তে হয়। আহমদ নুৰ চাহাবে কয় যে তেখেতৰ এটা নচিহ্ত  খাকচাৰৰ সদায় মনত পৰে, সেয়া হ'ল এয়া যে আল্লাহ্ তায়লাৰ পৰা কেতিয়াও মূখ ফিৰাই নলবা, আল্লাহ্ তায়লা ওচৰত প্ৰাৰ্থনাৰে ভিক্ষা কৰা, সি কেতিয়াও নিজৰ ভৃত্যৰ দোৱা বাতিল নকৰে।

আকৌ মোবাল্লিগ ছিলছিলা হাশ্মিম ডাঙৰীয়ায় লিখিছে যে এবাৰ তেখেতে (ছিউতি) মোক প্ৰশ্ন কৰিছিল যে জমাত আহমদীয়াৰ সত্যতাৰ আটাইতকৈ ডাঙৰ প্ৰমাণ কি ? মই কোৰ-আন আৰু হদীছৰ আলোকত উত্তৰ দিছিলো। তেখেতে কৈছিল যে প্ৰত্যেক আহমদীয়ে নিজকে নিজে সত্যতাৰ প্ৰমাণ স্বৰূপ বুজা উচিত। আপোনালোকে নিজকে নিজে এনেকুৱা যোগ্য বনাওঁক, যেন আমি প্ৰত্যেকেই জমাতৰ সত্যতাৰ এটা এটা প্ৰমাণ স্বৰূপ হওঁ।

খোতবা সমুহ বৰ মনযোগেৰে শুনিছিল। আকৌ খোতবাৰ বিষয় বস্তুৰ ওপৰত ছাত্ৰ সকলৰ লগত আলোচনা কৰিছিল আৰু ভালকৈ বুজি লৈছিল যে তেওঁলোকে নোটচ কৰি লৈছে নে নাই আৰু তেখেতে সদায় লক্ষ্য কৰিছিল যে খলিফা ওয়াক্তৰ পয়গাম ভাল দৰে বুজি পাইছে  নে নাই। এখেতে সদায় খিলাফতৰ আনুগত্য সম্পৰ্কে শিক্ষা দিছিল।

হুযুৰ আনোৱাৰ (আইঃ) য়ে কয় যে মৰহুম আল্লাহ তায়লাৰ কৃপাত মুচি (অচিয়তকাৰী) আছিল। মৰহুমৰ লাশ্বৰ দেহ মোবাৰক পাকিস্থানৰ পৰা ২৩ নৱেম্ভৰত ইণ্ডোনেচীয়া লৈ যোৱা হয় আৰু ২৪ নৱেম্ভৰৰ দিনা মৰকজ পাৰুমত মুচিয়ান মকবাৰাত দফন কৰা হয়। আল্লাহ্ তায়লা মৰহুমৰ মৰ্যদা উন্নীত কৰক আৰু জান্নাতুল ফিৰদুছৰ উচ্চ স্থান দান কৰক। তেওঁৰ সকলো আত্মীয় স্বজনৰ ধৈৰ্য্য দান কৰক আৰু  তেখেতৰ সন্তান সন্ততি আৰু ভৱিষ্যত বংশধৰ সকলক  তেখেতক অনুসৰণ কৰি চলাৰ তৌফিক দান কৰক। (আমিন)

**********

**Assamese Khulasa Khutba Jumma Huzoor Anwar 30 Nov 2018**

**(BOOK POST PRINTED MATTER)**

**To**

-----------------------------------------------------------------------------------

-----------------------------------------------------------------------------------

-----------------------------------------------------------------------------------

**From: Ahmadiyya Circle Office, Abhayapuri M.G. Road W/n-IV, Bongaigaon Assam 783384. # 9707110844**